# দিছপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**গুৱাহাটী, ২৮ আগষ্ট ঃ** মহানগৰীৰ দিছপুৰ মহাবিদ্যালয় প্ৰাংগণত আজি ৪৬ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগতে ছাত্ৰ একতা সভাৰ উদ্যোগত ২০২৩ বৰ্ষৰ নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়। পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকাৰ উপস্থিতিত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে পতাকা উত্তোলন আৰু উপাধ্যক্ষা ড° সুনীতা আগৰৱালাই ছহিদ তৰ্পণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণী সভা উদ্‌যাপন সমিতিৰ আহ্বায়ক ড° হিমাংশু কলিতাৰ পৰিচলনাত অনুষ্ঠিত অনুষ্ঠানত মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। যিসকল বৰেণ্য ব্যক্তিৰ কষ্টৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল তেওঁলোকলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই কয় যে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আৰু কৌশল একত্ৰীকৰণৰ জৰিয়তে সামগ্ৰিক বিকাশ ঘটাই ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল মনোভাবক প্ৰাধান্য দি মানৱ সম্পদ গঢ় দিয়াটো মহাবিদ্যালয়ৰ উদ্দেশ্য। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বৰেণ্য অভিনেতা প্ৰাঞ্জল শইকীয়াই কয় যে মানুহৰ জীৱনৰ প্ৰতিটো ক্ষণ বহুমূলীয়া। মানুহৰ আত্মবিশ্বাসেৰে সমাজত বিশ্বাস গঢ়িব পাৰি আৰু এই বিশ্বাসেৰে আত্মসন্মান বুটলি সুস্থ সমাজ গঢ় দিয়াত প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে ভূমিকা গ্ৰহণ কৰিব লাগিব। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰেৰণা'ৰ লগতে দিছপুৰ মহাবিদ্যালয় প্ৰকাশন পৰিষদৰ পৰা মহাবিদ্যালয়ৰ ছাত্ৰী য়ানা শৰ্মাৰ হিন্দী কবিতা পুথি 'নিকহত-এ-মোহাব্বত' আৰু ইংৰাজী বিভাগৰ পৰা 'ইংক-ষ্টেইনছ' শীৰ্ষক নিউজ লেটাৰ উন্মোচন কৰা হয়। উন্মোচন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে। উক্ত সভাতেই ২০২৩-২৪ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতক, শ্ৰেষ্ঠ পুথিভঁৰাল পঢ়ুৱৈ, শ্ৰেষ্ঠ এন এছ এছ ভলণ্টিয়াৰ বঁটা আদিও প্ৰদান কৰা হয়। আদৰণী সভাত নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ চিনাকি পৰ্বৰ লগতে নৃত্য পৰিবেশন কৰা হয়। অনুষ্ঠানত কণ্ঠশিল্পী দীক্ষু শৰ্মাৰ গীতৰ শৰাই আগবঢ়ায়।




## পাণ্ডুনাথ দেৱালয়ত গণেশ চতুৰ্থীৰ আয়োজন

**প্ৰতিদিন মহানগৰ সেৱা, গুৱাহাটী, ২৮ আগষ্ট ঃ** গুৱাহাটী মহানগৰীৰ পাণ্ডুস্থিত ঐতিহাসিক পাণ্ডুনাথ দেৱালয়ত শ্ৰীশ্ৰী পাণ্ডু গণেশ চতুৰ্থী উদ্‌যাপন সমিতিৰ উদ্যোগত অহা ৭ ছেপ্টেম্বৰত গণেশ চতুৰ্থী উদ্‌যাপনৰ আয়োজন কৰা হৈছে। সেইদিনা পুৱা ৯ বজাত গণেশ প্ৰভুৰ অভিষেকেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। তাৰ পিচত ১০ বজাত মহাআৰতি, দুপৰীয়া ১২.৩০ বজাত প্ৰসাদ আৰু ভোগ বিতৰণ, সন্ধিয়া ৫.৩০ বজাৰ পৰা নাম-কীৰ্তন অনুষ্ঠিত হ'ব। উদ্যোক্তাসকলৰ হৈ পাণ্ডুনাথ দেৱালয় পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক নিমাই চন্দ্ৰ দাস, শ্ৰীশ্ৰী গণেশ চতুৰ্থী উদ্‌যাপন সমিতিৰ সভাপতি পদম শেঠিয়া, কাৰ্যকৰী সভাপতি সঞ্জয় আগৰৱালা, সম্পাদক বিনোদ কুমাৰ গুপ্তা আৰু কোষাধ্যক্ষ ৰবি কুণ্ডিলাই গণেশ চতুৰ্থীৰ সমূহ কাৰ্যসূচীত ভক্তিপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে।